**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-02-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

# HEADLINES

১। দ্বিতীয় এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অসমত বিনিয়োগৰ বাবে প্ৰধানমন্ত্ৰীৰ দেশ-বিদেশৰ বিনিয়োগকাৰীসকলক আহ্বান।

২। সন্মিলনত কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ অসমত বৃহৎ বিনিয়োগৰ প্ৰতিশ্ৰুতি।

৩। অসম এতিয়া দেশৰ বিকাশৰ ইঞ্জিনত পৰিণত হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ মন্তব্য।

৪। এডভাণ্টেজ আছামৰ অংশ হিচাপে আজি ৰাজ্যৰ জিলাসমূহত বিনিয়োগৰ বাবে চুক্তি স্বাক্ষৰ।

**আৰু**

৫। কাইলৈ মহা শিৱৰাত্ৰি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনাৰ বাবে ব্যাপক প্ৰস্তুতি।

০০০০০০০

অসমৰ নেতৃত্বত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল নতুন ভৱিষ্যতৰ সূচনা কৰাৰ দিশে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন উদ্বোধন কৰি এইদৰে কয়। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দেখা দিয়া অনিশ্চয়তাৰ মাজতো বিশ্বৰ বহু বিশেষজ্ঞই সম্প্ৰতি ভাৰতৰ খৰতকীয়া বিকাশৰ কথা আলোচনা কৰিবলৈ লৈছে। তেওঁ কয়, যে বৰ্তমানৰ ভাৰতে এখোজ এখোজকৈ আগবাঢ়ি যোৱাৰ সমান্তৰালকৈ একবিংশ শতিকাৰ অনাগত ২৫ বছৰৰ দীৰ্ঘম্যাদী লক্ষ্য মনত ৰাখি বৃহৎ পৰিসৰত কামত অগ্ৰসৰ হৈছে। বিশ্বই বৰ্তমান ভাৰতৰ প্ৰশাসনত আস্থা ৰাখিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে দক্ষতাৰ দিশত খৰতকীয়াকৈ আগবাঢ়ি যোৱা দেশৰ যুৱ সমাজ আৰু মধ্যবিত্ত শ্ৰেণীৰ কথা উল্লেখ কৰে।

দ্বিতীয় এডভাণ্টেজ আছামৰ উদ্বোধনী ভাষণত প্ৰধানমন্ত্ৰীয়ে বিভিন্ন দেশৰ প্ৰতিনিধি আৰু দেশ-বিদেশৰ বিনিয়োগকাৰীৰ সন্মুখত অসমৰ নিজস্ব পৰিচয় স্বৰূপ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰি কয়, যে এই উদ্যোগে এতিয়া আন আন উদ্যোগকো আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাইছে। ৰাজ্যখনত স্থাপন হ'বলগীয়া ইউৰিয়া প্ৰকল্পই সমগ্ৰ দেশৰে চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে অচিৰেই অসম উত্তৰ-পূবৰ নিৰ্মাণ খণ্ডৰ কেন্দ্ৰ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্মাণ খণ্ডত অসম বহুখিনি আগবাঢ়ি গৈছে আৰু উচ্চমানৰ প্ৰযুক্তিৰ লগতে ৰাজ্যখন ষ্টাৰ্টআপৰ কেন্দ্ৰত পৰিণত

হৈছে। জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্প অনাগত সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ পৰিচয় হৈ উঠিব বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে অনাগত সময়ত ভাৰত ছেমি কণ্ডাক্টৰ খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হৈ উঠাৰ লগতে ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ জৰিয়তে অসমৰ অৰ্থনীতিও সুদৃঢ় হ'ব। প্ৰধানমন্ত্ৰীয়ে বিনিয়োগকাৰীসকলক অসমত বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

**ৰাইট (পি এম)**

০০০০০০০

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ উদ্বোধনী সত্ৰত আজি কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীয়ে অসমত বৃহৎ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। আজিৰ অনুষ্ঠানত ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানী, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালা, টাটা ছ'ন্সৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰ, জে এছ ডব্লিউ গোটৰ অধ্যক্ষ সজ্জন জিন্দালকে ধৰি ভালেমান উদ্যোগপতিয়ে ভাষণ দিয়ে। আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিয়ে তেওঁৰ ভাষণত অসমত এৰ'চিটী, চিমেণ্টকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত ভাষণ দি ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানীয়ে অসমত মেগা ফুড পাৰ্ক, সপ্ত তাৰকাযুক্ত হোটেল, দুটা জৈৱ ইন্ধন গোটকে ধৰি ৫ টা গুৰুত্বপূৰ্ণ খণ্ডত অহা ৫ বছৰত ৫০ হাজাৰ কোটিৰো অধিক ধন বিনিয়োগৰ কথা প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনত ১০ হাজাৰ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব বুলিও অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। অনাগত সময়ত অসম প্ৰযুক্তিৰ ভূস্বৰ্গ হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, যে লাহে লাহে জনসাধাৰণে AI বুলি ক'লে আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ পৰিৱৰ্তে আছাম ইণ্টেলিজেন্স বুলি ক'ব।

**বাইট (মুকেশ আম্বানী)**

টাটা ছ'ন্সৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে তেওঁৰ ভাষণত কয়, যে অসমৰ সৈতে টাটা গ্ৰুপৰ কেইবা দশকজোৰা সম্বন্ধ আছে। বিগত বৰ্ষত টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আৰম্ভণিৰ জৰিয়তে অসম আৰু টাটা গ্ৰুপৰ মাজৰ সম্বন্ধ সুদৃঢ় হ'ল বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, যে অসম চৰকাৰে ঔদ্যোগিক বিকাশৰ নতুন মাত্ৰা নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, যে টাটা গ্ৰুপে অনাগত সময়ত ৰাজ্যখনত আন এটা বৃহৎ নিৰ্মাণ প্ৰযুক্তিৰ প্ৰকল্পত বিনিয়োগ কৰিব আৰু ইয়াৰ ফলত ৩০ হাজাৰ যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব।

বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালাই অহা দুবছৰত অসমত এক লাখ বেৰেল তেল উৎপাদন কৰিব বুলি ঘোষণা কৰে।

**বাইট (অনিল আগৰৱালা)**

জে এছ্ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দালে তেওঁৰ ভাষণত কয়, যে উত্তৰ-পূব সমৃদ্ধিশালী হ'লেহে দেশ সমৃদ্ধিশালী হ'ব। শ্ৰীজিন্দালে অসমৰ নৱীকৰণযোগ্য শক্তি খণ্ডত বিনিয়োগৰ সম্ভাৱনাৰ কথা উল্লেখ কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি ভাষণ দি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমান অসম অভূতপূৰ্ব ইতিবাচক পৰিৱৰ্তনৰ সাক্ষী হৈছে। তেওঁ কয়, যে এসময়ৰ সমস্যা জৰ্জৰিত ৰাজ্যৰ পৰা অসম বৰ্তমান এখন শান্তিপূৰ্ণ ৰাজ্য হিচাপে ৰূপান্তৰৰ যাত্ৰাৰে আগবাঢ়িছে। ড০ শৰ্মাই দেশ-বিদেশৰ

ব্যৱসায়ী আৰু উদ্যোগীসকলক ৰাজ্যখনত বিনিয়োগ কৰিবলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকক বিনিয়োগৰ বাবে উপযুক্ত পৰিৱেশ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

**ৰাইট (চি এম)**

উল্লেখযোগ্য যে দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰণেৰে আজিৰেপৰা দুদিনীয়াকৈ গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই দুদিনীয়া সন্মিলনত উদ্বোধনী সত্ৰ, ৭ খন মন্ত্ৰী পৰ্যায়ৰ সত্ৰ আৰু ১৪ খন বিষয় সম্বলিত সত্ৰ অনুষ্ঠিত হ'ব। এই সত্ৰসমূহত অসমৰ ঔদ্যোগিক বিকাশ, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য অংশীদাৰ, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ আদিকে ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ভূটানৰ কৃষি মন্ত্ৰী, চুবুৰীয়া ৰাজ্যৰ কেইবাগৰাকী মুখ্য মন্ত্ৰীকে ধৰি ৬১ খন দেশৰ ৰাষ্ট্ৰদূত, ব্যৱসায়িক প্ৰতিনিধি গোট আৰু উদ্যোগ বিশেষজ্ঞই অংশগ্ৰহণ কৰে।

০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে অসম এতিয়া দেশৰ বিকাশৰ ইঞ্জিনত পৰিণত হৈছে। গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি তেওঁৰ দায়িত্বত থকা আন দুটা মন্ত্ৰালয়, ৰে'ল আৰু বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনত বিগত সময়ছোৱাত কোকৰাঝাৰৰ পৰা গেলেফুলৈ ৰে'লপথ নিৰ্মাণ, ৰে'লৰেৰ ভূমি বেদখলমুক্ত কৰি অলপতে ঘোষণা কৰা নাইলেট বিশ্ববিদ্যালয় নিৰ্মাণৰ আৰম্ভণি আৰু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ উদ্যোগত কামৰূপ জিলাৰ আজাৰাৰ সমীপৰ বঙৰাত ইলেকট্ৰনিক সামগ্ৰী উৎপাদন কেন্দ্ৰ গঢ়ি তোলাৰ সিদ্ধান্তক সুদূৰপ্ৰসাৰী বুলি মন্তব্য কৰে।

গুৱাহাটীৰ ৰে'ল ষ্টেচনক ১২ মহলা বা ততোধিক উচ্চতাৰ তথ্য প্ৰযুক্তি কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয়, যে যোৱা কেইবছৰত উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ এহেজাৰ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ নতুন ৰে'লপথ নিৰ্মাণ কৰা হৈছে আৰু ই শ্ৰীলংকাৰ মুঠ ৰে'লপথৰ দৈৰ্ঘ্যতকৈও অধিক। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰ জিলাৰ বাঁহবাৰীত নতুন ৰে'লৰ দবা নিৰ্মাণ কাৰখানাৰ বাবে ৰাজ্য চৰকাৰে ভূমি আৱণ্টন কৰিছে আৰু শীঘ্ৰেই ইয়াৰ কাম আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে লামডিঙত ৰে'ল ইঞ্জিন পুনৰ নিৰ্মাণ কাৰখানা স্থাপনৰ কথাও ঘোষণা কৰে। শ্ৰীবৈষ্ণৱে ভাষণৰ মাজতে নাটকীয়ভাৱে টাটা ইলেকট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া ৰনধীৰ ঠাকুৰক ভাষণস্থলীলৈ মাতি আনে আৰু তেতিয়াই অধ্যক্ষগৰাকীয়ে তুমুল হৰ্ষধ্বনিৰ মাজত অসমত এটা মোবাইল ফোন নিৰ্মাণ কাৰখানা স্থাপন কৰাৰ কথা ঘোষণা কৰে। বিশ্বত বছৰি ১ ট্ৰিলিয়ন ছেমি কণ্ডাক্টৰ চিপছৰ প্ৰয়োজন হয় বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে জাগীৰোড ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ পৰা বছৰি ১৫ নিযুত চিপছ উৎপাদন হ'ব বুলি জানিবলৈ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মদক্ষতাৰ শলাগ লৈ ৰাজ্যখনৰ উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত তেওঁক সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

**বাইট (অশ্বিনী বৈষ্ণৱ)**

০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যখনৰ বিনিয়োগ ক্ষেত্ৰত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰত অনুমোদন জনোৱা হৈছে। অন্যান্য জিলাতো আয়ুক্তসকলে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। কোকৰাঝাৰ জিলাত আজি এডভাণ্টেজ আছাম সন্মিলনৰ অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হয়। জিলাখনৰ বিজ্ঞান মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত গুৱাহাটী আয়োজিত মূল কাৰ্যসূচীৰ অংশ হিচাপে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনত আজি ২৯ গৰাকী উদ্যোগীয়ে ১৫০ কোটি টকাৰ বুজা-বুজিৰ চুক্তিত স্বাক্ষৰ কৰে। জিলাখনত নতুন ব্যৱসায় আৰু উদ্যোগত বিনিয়োগৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰী, জিলা আয়ুক্ত মাছান্দা পাৰ্টিনৰ উপৰি কেইবাগৰাকীও শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে।

বৰপেটা জিলাত অহা ডেৰ বছৰৰ ভিতৰত ব্যক্তিগত খণ্ডত প্ৰায় ২০২ কোটি টকা বিনিয়োগ হ'ব বুলি আজি জিলাখনৰ আয়ুক্ত ৰোহন কুমাৰ ঝাই সদৰি কৰিছে। এডভাণ্টেজ আছামৰ অংশ হিচাপে আজি জিলাখনত ৭৫ গৰাকী বিনিয়োগকাৰীৰ সৈত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। এই চুক্তিসমূহৰ ভিতৰত স্বাস্থ্য খণ্ডৰ সৈতে জড়িত চুক্তিৰ সংখ্যা অধিক। জিলাখনৰ সৰভোগ আৰু বহৰীত দুখন ঔদ্যোগীক পাম স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। এই পামত উদ্যোগ স্থাপনৰ বাবে আগ্ৰহীসকলক চৰকাৰে ভূমি প্ৰদান কৰিব বুলিও শ্ৰী ঝাই জানিবলৈ দিয়ে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি গুৱাহাটীৰ গণেশগুৰিৰ কৰ ভৱনৰ প্ৰেক্ষাগৃহতো আজি এই সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। থলুৱা উদ্যোগসমূহক অধিক শক্তিশালী ক ৰাৰ বাবে ৭৬ খন চুক্তিপত্ৰত স্বাক্ষৰ কৰা হয়। উল্লেখযোগ্য যে জিলাখনত ২১৯ টা প্ৰকল্প লোৱা হৈছে আৰু ইয়াৰ ভিতৰত ৫০ কোটিতকৈ অধিক টকা ব্যয় সাপেক্ষ ১২টা আৰু ৫০ কোটিতকৈ কম ধন ব্যয়সাপেক্ষ ২০৭টা প্ৰকল্প আছে। এই চুক্তিসমূহৰ বাবে ৩৮৫ কোটি ৩৭ লাখ টকা ব্যয় কৰা হ'ব।

নগাঁও জিলাত ৯৮ গৰাকী বিনিয়োগকাৰীয়ে বিভিন্ন উদ্যোগীক ক্ষেত্ৰত ৫১১ কোটি টকা বিনিয়োগ কৰিব। আজি ৩১ গৰাকী বিনিয়োগৰাকীয়ে চুক্তি স্বাক্ষৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।

বঙাইগাঁও জিলাত আজি এডভাণ্টেজ আছামৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ উপৰি ২৪ গৰাকী ব্যৱসায়ী আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক তথা সংশ্লিষ্ট বিষয়াসকলৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। তামুলপুৰ জিলাতো আজি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰীভূমি জিলাত আজি ৩২ গৰাকী উদ্যোগপতিয়ে ১২১ কোটিতকৈ অধিক টকাৰ বিনিয়োগৰ বাবে জিলা প্ৰশাসনৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। খনি আৰু খনিজ সামগ্ৰী ৰপ্তানি, মচলা উৎপাদন, মীন পালন, অ'টো ম'বাইল, বৈদ্যুতিক সঁজুলী, কৃষিকে ধৰি বিভিন্ন ক্ষেত্ৰত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হয়। ইয়াৰ ফলত ৭৮৪ জন লোকৰ কৰ্মসংস্থাপন মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি জিলা আয়ুক্তই প্ৰকাশ কৰে।

শোণিতপুৰ জিলাত আজি ৩৮ টা উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে জিলা প্ৰশাসনে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ ফলত এহেজাৰ যুৱক-যুৱতীৰ বাবে ব্যৱসায়ৰ নতুন সুবিধা আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

কার্বি আংলং জিলাত আজি এডভাণ্টেজ আছামৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰা হয়। ইয়াৰপাছত তালিকাভুক্ত বিনিয়োগৰাকীৰ সৈতে অসম চৰকাৰৰ হৈ জিলা আয়ুক্ত নিৰলা ফাংছপিয়ে ৯৫ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। কৃষি পশুপালন আৰু বিভিন্ন ঔদ্যোগীক খণ্ডত বিনিয়োগৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰ কৰা হয়।

চৰাইদেউ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ সাধাৰণ প্ৰৱন্ধকে আজি এডভাণ্টেজ আছামৰ অংশ হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত ৪৯ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই অনুষ্ঠানত কৃষি, পশুপালন, ৰেচম, শ্ৰম, অসম ৰাজ্যিক জীৱিকা অভিযান আদি বিভাগৰ অধীনস্থ ঔদ্যোগীক খণ্ডৰ সৈতে জড়িত বিনিয়োগকাৰীসকল উপস্থিত থাকে।

**তিনিচুকীয়া** জিলাত আজিৰেপৰা দুদিনীয়াকৈ এই সন্মিলনৰ অংশ হিচাপে আয়োজিত কাৰ্যসূচীত ৫০ কোটি টকাতকৈ কম ধন বিনিয়োগ কৰিব বিচৰা ব্যৱসায়ীসকলৰ সৈতে জিলা প্ৰশাসনে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। আজি ৪১ গৰাকী বিনিয়োগকাৰীয়ে ২৬৯ কোটি ৭৫ লাখ টকা বিনিয়োগৰ বাবে চুক্তি স্বাক্ষৰ কৰে।

শিৱসাগৰ জিলাতো আজি এই সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি কৃষি, পৰ্যটন, হস্ততাত, মীন, উদ্যোগ-বাণিজ্যকে ধৰি কেইবাটাও বিভাগৰ উদ্যোগত জিলা পৰ্যায়ত বিনিয়োগ কৰিবলৈ আগ্ৰহী বিনিয়োগকাৰীসকলৰ সৈতে জিলা প্ৰশাসনে চুক্তিত স্বাক্ষৰ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত আয়ুষ গাৰ্গে ৫১ গৰাকী বিনিয়োগকাৰীক আদৰণি জনায়।

উল্লেখযোগ্য যে এই সন্মিলনৰ অংশ হিচাপে জিলা পৰ্যায়ত ৫ লাখ টকাৰ পৰা ৫০ কোটি টকালৈ বিনিয়োগৰ বাবে জিলা আয়ুক্তসকলে ২হেজাৰ ৫৯০খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে প্ৰকাশ কৰিছিল। জিলা পৰ্যায়ত হোৱা এই চুক্তিৰ পৰা ১৫ হাজাৰ ৫৯০ কোটি টকা বিনিয়োগ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছিল। বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হৈছে।

0000000

কাইলৈ মহা শিৱৰাত্ৰি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। শিৱ মন্দিৰসমূহ পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। আজি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। কাইলৈ সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ভাওনা প্ৰদৰ্শন কৰা হ'ব। পৰহিলৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিৱসাগৰ দৌল উন্নয়ন পৰিষদৰ দ্বাৰা প্ৰকাশিত স্মাৰক গ্ৰন্থ মুক্তিনাথ উন্মোচন কৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। ২৮ ফেব্ৰুৱাৰীৰ সামৰণি অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থকাৰ কথা।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত আজিৰে পৰা ৪ দিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰিবলৈ লোৱা হৈছে। আজি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে। জিলাখনৰ টাকাদিয়াবৰিত আজি নৱনিৰ্মিত হাৱাঘাট শিৱমন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। কাইলৈৰ পৰা এই মন্দিৰত শিৱৰাত্ৰি আৰু মেলা অনুষ্ঠিত হ'ব।

০০০০০০০

বৰপেটা জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে হত্যাৰ অপৰাধত আজি অশোক কুমাৰ দাস নামৰ এজন লোকক ১০ হাজাৰ টকা জৰিমনাসহ যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। জৰিমনা আদায় নিদিলে অপৰাধীয়ে অতিৰিক্ত ছমাহ সশ্ৰম কাৰাবাস খাটিব লাগিব বুলি আদালতে ৰায়ত উল্লেখ কৰে। উল্লেখযোগ্য যে বৰপেটাৰ পালাংদিহাতীৰ বাসিন্দা দাসে ২০১৭ চনৰ ৮ আগষ্টত পত্নীক হত্যা কৰিছিল। হত্যাৰ গোচৰটোৰ কেইবালানি শুনানিৰ অন্তত উপযুক্ত তথ্য-প্ৰমাণৰ ভিত্তিত লোকজনক দোষী সাব্যস্ত কৰি আদালতে শাস্তিৰ ৰায় দিয়ে।

০০০০০০০

**সমাপ্ত**